স্মৃতিগ্ৰন্থ

# নাৰায়ণী



## সোণালী জয়ন্তী উদ্‌যাপন

**বড়িচৌকা সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গাপূজা সমিতি**

১৪১৭ ভাস্কৰাব্দ ঃ ২০১০ খ্ৰীষ্টাব্দ



# সনাতন হিন্দু ধৰ্মত শক্তিপূজাৰ মাহাত্ম্য

❒ ডঃ পৰিমল কুমাৰ দত্ত

*"ত্বং বৈষ্ণৱীশক্তিৰনন্তবীৰ্য্যা*
*ৱিশ্বস্য বীজং পৰমাসি মায়া*
*সম্মোহিতং দেৱী সমস্তমেতৎ*
*ত্বং বৈ প্ৰসন্না ভুৱি মুক্তিহেতুঃ" —শ্ৰীশ্ৰীচণ্ডী*

**ভূমিকা ঃ**

মানৱ সভ্যতাৰ উষালগ্নত ভাৰতীয় সাধকসকলে বিশ্বনিয়ন্ত্ৰী মহাশক্তিৰ ৰহস্য উন্মোচন কৰিছিল। সেই মহাশক্তিয়েই সাধকৰ হৃদয়াকাশত চিন্ময়ী মূৰ্তিৰূপে প্ৰতিভাসিত হৈ বিভিন্ন নামেৰে জনাজাত হৈছিল আৰু কোটি কোটি উপাসকৰ দ্বাৰা পূজিত হৈছিল। সেই মহাশক্তিৰ বিভিন্ন নাম হৈছে— কালী, তাৰা, ষোড়শী, ভুৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধূমাৱতী, বগলা, মাতঙ্গী, কমলা, কামাখ্যা, দুৰ্গা, চণ্ডিকা, মঙ্গলচণ্ডী, জগদ্ধাত্ৰী, জগদম্বা, বৈষ্ণৱী, চামুণ্ডা, লক্ষ্মী, সৰস্বতী, পাৰ্বতী, শীতলা, বিপদনাশিনী ইত্যাদি। এই মহাশক্তিৰ বাহিৰত আন কোনো দ্বিতীয়া শক্তি নাই— "একৈৱাহং জগত্যত্ৰ দ্বিতীয়া কা মমাপৰা" এই জগতত একমাত্ৰ ময়েই বিৰজিতা মোৰ বাহিৰে দ্বিতীয়া আন কোনো নাই। সকলো বস্তুৰ ভিতৰতেই সেই মহাশক্তি বিৰাজমানা— 'যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা' মহাশক্তিৰ আধাৰত সৃষ্ট তান্ত্ৰিক শক্তিবাদৰ সৈতে পাশ্চাত্য পদাৰ্থ বিজ্ঞানৰ সাদৃশ্য আছে। তথাপি আমি এটা সূক্ষ্ম বৈসাদৃশ্যও দেখিবলৈ পাওঁ। পাশ্চাত্য পদাৰ্থ বিজ্ঞান মতে, শক্তি জড় বা চৈতন্যৰহিত। তন্ত্ৰমতে, শক্তি কেতিয়াও জড় হব নোৱাৰে— 'যা দেৱী সৰ্বভূতেষু চেতনেত্যভিধীয়তে'। সৰ্বভূতে চৈতন্যস্বৰূপা মহাশক্তি বিৰাজিতা। আধুনিক পাশ্চাত্য পদাৰ্থ বিজ্ঞান অৱশ্যে তন্ত্ৰৰ শক্তিবাদৰ ওচৰত চাপি আহিছে। আধুনিক পদাৰ্থবিদ্যাৰ এটা নিয়ম হৈছে— অনিৰ্দেশ্যবাদ (Law of indeterminancy) এটা পৰমাণুৰ মাজত অৱস্থিত প্ৰোটনক কেন্দ্ৰ কৰি ইলেকট্ৰনবিলাক ঘূৰি আছে আৰু ক্ষণে ক্ষণে কক্ষ পৰিত্যাগ কৰে। ইলেকট্ৰনবিলাকৰ স্থিতি নিৰ্ভুলভাৱে জনা নাযায়। পদাৰ্থ বিজ্ঞানীসকলে পৰমাণুৰ আভ্যন্তৰীণ শক্তিৰ মাজত চেতনাৰ অস্তিত্বৰ সন্ধান পাইছে—

With the advent of Quantum Mechanics, we have come to recognise that events can not be predicted with complete accuracy, but there is always a degree of uncertainty. If one likes, one could ascribe the randomness to the intervention of God.

"প্ৰমাত্ৰা যন্ত্ৰবাদৰ অগ্ৰসৰতাৰ ফলত আমি স্বীকাৰ কৰিবলৈ বাধ্য যে কোনো ঘটনা সম্পৰ্কে নিশ্চিয়তাৰ প্ৰহেলিকা থাকি যায়। যদি কোনোবাই (পদাৰ্থ বিজ্ঞানী) ভাবে, তেন্তে এই অনিশ্চয়তাৰ বাবে দায়ী কৰিব পাৰে এক স্বতন্ত্ৰ ঈশ্বৰ শক্তিক।"

আধুনিক বিশ্বৰ অন্যতম শ্ৰেষ্ঠ বিজ্ঞানী ষ্টিফেন হকিঙৰ (Stephen Hawking) এই সিদ্ধান্ত। কিন্তু বহুকাল আগতেই তান্ত্ৰিক শক্তিবাদীসকলে ঘোষণা কৰিছিল—

*যা দেৱী সৰ্বভূতেষু শক্তিৰূপেন সংস্থিতা*
*নমস্তস্যৈ নমস্তস্যৈ নমস্তস্যৈ নমোঃ নমঃ।।*

যি দেৱী সৰ্বভূতে শক্তিৰূপে অৱস্থিতা, সেই দেৱীক প্ৰণাম, প্ৰণাম, প্ৰণাম।





**শক্তিপূজা কি?**

সেই মহাশক্তি সকলো বস্তু, প্ৰাণী, পদাৰ্থ, অণু, পৰমাণু, কোষে বৰ্ত্তমান। এই মহাশক্তি চৰাচৰ বিশ্বৰ নিয়ন্ত্ৰণকৰ্ত্ৰী, সকলোৰে মাতা আৰু জগৎ পালিকা। তেখেতৰ প্ৰতি আমাৰ কৃতজ্ঞতা, প্ৰেম আৰু শ্ৰদ্ধা নিৱেদনৰ শ্ৰেষ্ঠ মাধ্যমেই হৈছে শক্তিপূজা। মহাশক্তিৰ প্ৰকাশিকা দেৱীসকলৰ পূজাই হ'ল শক্তিপূজা। শাক্তসকলৰ সৰ্বশ্ৰেষ্ঠ পূজা হ'ল— দশমহাৱিদ্যা, দুৰ্গা, কামাখ্যা, মনসা আদি দেৱীৰ পূজা। ইয়াৰ মাজত দেৱী দুৰ্গাৰ পূজাৰ ব্যাপকতা আৰু জনপ্ৰিয়তাই এই পূজাক সৰ্বজনীনতা আৰু শ্ৰেষ্ঠত্বৰ মৰ্যাদা দান কৰিছে। শক্তিপূজা হিচাপে দুৰ্গাপূজাই প্ৰধানতঃ এই আলোচনাৰ আধাৰ আৰু মূলবিন্দু।

**শক্তিপূজাৰ প্ৰয়োজনীয়তা ঃ**

আত্মশক্তিৰ উদ্বোধন, কুণ্ডলিনী শক্তিৰ জাগৰণ, আত্মোপলদ্ধি, শিৱ-শক্তিৰ সৈতে মিলন আৰু মহাশক্তিত বিলীন হৈ নিৰ্বাণ লাভেই শক্তি পূজাৰী তথা শক্তি সাধকৰ মূল লক্ষ্য। ইয়াৰ উপৰিও পাৰ্থিৱ তথা ঐহিক ফল লাভৰ উদ্দেশ্যেও শক্তিপূজা সম্পন্ন হয়। কেইটামান লক্ষ্য ইয়াত উল্লেখ কৰা হ'ল—

সৌভাগ্য বৃদ্ধি, শত্ৰু দমন, শত্ৰু জয়, বশীকৰণ, মনস্কামনা সিদ্ধি, ধন লাভ, গৃহশান্তি, বিঘ্ননাশ, সমস্যা সমাধান, বিদ্যালাভ, বুদ্ধি-বৃদ্ধি, মামলাত জয়লাভ, পুত্ৰ-কন্যাৰ শীঘ্ৰ বিবাহ, দুখ নাশ, বন্দীমুক্তি, কাৰামুক্তি, ৰোগ নাশ, ভয় নাশ, গ্ৰহদোষ নিবাৰণ, বিশ্বশান্তি, প্ৰাকৃতিক দুৰ্যোগ নিবাৰণ, জাতিৰ উন্নতি, দেশৰ উন্নতি, মানৱ জাতিৰ উন্নতি ইত্যাদি।

**শক্তিপূজাৰ গৌৰৱময় ঐতিহ্য**

মহাশক্তিৰ আৰাধনা আৰু পূজাৰ এক গৌৰৱময় ঐতিহ্য আছে। বৈদিক যুগতো শক্তিপূজা প্ৰচলিত আছিল। ঋগ্বেদৰ দেৱীসূক্ত আৰু ৰাত্ৰিসূক্তৰ পৰা ইয়াৰ সুস্পষ্ট প্ৰমাণ পোৱা যায়। মহাভাৰততো দেৱীপূজাৰ উল্লেখ আছে। কুৰুক্ষেত্ৰ যুদ্ধত জয়লাভৰ বাবে ভগৱান শ্ৰীকৃষ্ণই অৰ্জুনক যুদ্ধাৰম্ভৰ প্ৰাক্কালত জগন্মাতা দেৱী দুৰ্গাৰ স্তৱ আৰু প্ৰাৰ্থনা কৰিবলৈ উপদেশ দিছিল— 'পৰাজয়ায় শত্ৰুনাং দুৰ্গাস্তোত্ৰমুদীৰয়।' অৰ্জুনে প্ৰাৰ্থনা কৰিছিল—

*নমস্তে সিদ্ধসেনানি! আৰ্য্যে! মন্দৰবাসিনি!*
*কুমাৰি! কালি! কৰালি! কপিলে! কৃষ্ণ পিঙ্গলে!*
*ভদ্ৰকালি! নমস্তভ্যং! নমস্তভ্যং তাৰিনি! বৰৱৰ্ণিনি!*

অৰ্জুনৰ প্ৰাৰ্থনাত সন্তুষ্ট হৈ দেৱীয়ে কৈছিল *"স্বল্পেনৈৱ তু কালেন শত্ৰূন জেষ্যসি পাণ্ডৱ!"*

অজ্ঞাতবাসৰ সাফল্যৰ বাবে বিৰাট নগৰত যোৱাৰ আগতে ঋষিসকলৰ পৰামৰ্শত পাণ্ডৱসকলে দুৰ্গামাতাৰ স্তৱ কৰিছিল। প্ৰচলিত প্ৰবাদ অনুসৰি ত্ৰেতাযুগত শ্ৰীৰামচন্দ্ৰই ৰাৱণ বধৰ বাবেই শৰৎ কালত দেৱী দুৰ্গাৰ অকাল বোধন পূজা কৰিছিল।

**শক্তি পূজাৰ প্ৰধান বৈশিষ্ট্যসমূহ ঃ**

**ক) প্ৰতিমা পূজা**

প্ৰতীক অৱলম্বনত ভগৱৰ্দৰ্চনা হিন্দু সংস্কৃতিত শক্তিবাদী তান্ত্ৰিক সংস্কৃতিৰ অন্যতম অৱদান। বৈদিক মতে, 'যজ্ঞ'ই হৈছে ঈশ্বৰৰ সৈতে সাধকৰ সম্পৰ্ক স্থাপনৰ শ্ৰেষ্ঠ উপায়। তন্ত্ৰমতে, 'পূজা'ই হ'ল সাধক আৰু মহাশক্তিৰ মাজত সম্পৰ্ক আৰু একাত্মতা স্থাপনৰ সৰ্বশ্ৰেষ্ঠ মাধ্যম। যজ্ঞত 'মূৰ্তি'ৰ প্ৰয়োজন নহয়। 'পূজা'ত মূৰ্তি অপৰিহাৰ্য। তন্ত্ৰশাস্ত্ৰমতে— গাইগৰুৰ তেজৰ পৰা গাখীৰ উৎপন্ন হয়। গাইগৰুৰ তেজ গাইগৰুৰ গোটেই শৰীৰত পোৱা যায়। কিন্তু গাইগৰুৰ শৰীৰৰ সকলো ঠাইতে গাখীৰ পোৱা নাযায়। একমাত্ৰ তাইৰ স্তনতেই গাখীৰ পোৱা যায়। ঠিক তেনেদৰে মহাশক্তিৰ উপস্থিতি সকলো ঠাইতে থাকিলেও তেখেতৰ স্বৰূপ প্ৰতিমাতেই প্ৰতিভাত হয়। মূৰ্তি কেৱল মাত্ৰ মহাশক্তিৰেই প্ৰতিনিধি নহয়, সেই মূৰ্তিয়েই মহাশক্তি। মৃণ্ময়ী দেৱীক চিন্ময়ী দেৱীত পৰিণত কৰিবলৈ মন্ত্ৰ, পূজা উপাচাৰ আৰু ভাৱৰ প্ৰয়োজন হয়। যথাৰ্থভাৱে শাস্ত্ৰসন্মত বিধিৰে পূজাৰ সময়ত প্ৰতিমাত প্ৰাণীসঞ্চাৰ কৰিলে স্বয়ং মহাশক্তিৰ আৱিৰ্ভাৱ আৰু উপস্থিতি প্ৰকৃত সাধকে

উপলব্ধি কৰিব পাৰে। দেৱী ভাগৱতত আছে—

*সেয়ং শক্তি মহামায়া সচ্চিদানন্দৰূপিনী*
*ৰূপং ৱিভৰ্ত্যৰূপা চ ভক্তানুগ্ৰহহেতৱে।।*

সেই সচ্চিদানন্দৰ পৰাশক্তি অৰূপা হৈও ভক্তসকলক কৃপা কৰিবলৈ তেখেতসকলৰ বাঞ্ছিত ৰূপ ধাৰণ কৰে।

প্ৰতিমাপূজাৰ বিৰোধীসকলে মনত ৰাখিব যে আধুনিক মনোবিজ্ঞানীসকলেও মানিবলৈ বাধ্য হৈছে যে মূৰ্তি (image) অবিহনে মনে কোনো চিন্তা কৰিব নোৱাৰে।

**খ) বলি**

শক্তিপূজাৰ আন এটা অন্যতম বৈশিষ্ট্য হৈছে— বলি। 'বলি' শব্দৰ অৰ্থ হৈছে 'উপহাৰ'। মুণ্ডচ্ছেদ কৰি পশু-পক্ষীৰ ৰক্তমুণ্ডৰ নিবেদন শক্তিপূজাৰ অন্তৰ্গত। বৈদিক যুগৰে পৰা বলি প্ৰথা চলি আহিছে। তন্ত্ৰশাস্ত্ৰমতে স্বগাত্ৰৰুধিৰ মাংস নিবেদনতেই দেৱী সন্তুষ্ট হয়— 'সহস্ৰং তৰ্পিতা দেৱী স্বদেহ-ৰুধিৰেণ ৱৈ।' মহাৰাজ সুৰথ আৰু সমাধি বৈশ্যই দেৱীৰ আগত বলি আৰু স্বগাত্ৰৰুধিৰ নিবেদন কৰিছিল— *'দদাতুস্তৌ বলিঞ্চৈৱ নিজগাত্ৰাসৃগুক্ষিতম্।'*

**গ) কুমাৰী পূজা**

কুমাৰীপূজা, কামাখ্যাপূজা শাৰদীয় দুৰ্গাপূজাৰ অঙ্গবিশেষ। এই পূজাৰ সময়ত দেৱীৰ ৰূপ আৰু শক্তি সম্পূৰ্ণৰূপে কুমাৰীত আৰোপ কৰি সাধক তদ্‌গতচিত্ত হয়। ১ বছৰৰ পৰা ১৬ বছৰলৈ কুমাৰীসকলৰ নাম এনেদৰে— সন্ধ্যা, সৰস্বতী, ত্ৰিধামূৰ্তি, কালিকা, সুভগা, উমা, মালিনী, কুব্জিকা, কাল-সংঘৰ্ষা, অপৰাজিতা, ৰুদ্ৰাণী, ভৈৰৱী, মহালক্ষ্মী, কুলনায়িকা, ক্ষেত্ৰভা, চণ্ডিকা।

মহাকাল সংহিতাত কুমাৰীপূজা সম্পৰ্কত কোৱা হৈছে যে কুমাৰীৰ সংখ্যা অযুগ্ম হ'ব লাগিব। মুখ্য কুমাৰীৰ পূজা সম্পন্ন হোৱাৰ পিচত অন্যান্য কুমাৰী সকলৰ পূজা কৰিব লাগে।

**শক্তিপূজাৰ মাহাত্ম্য ঃ**

শক্তিপূজাৰ মাহাত্ম্য অসীম। স্থানাভাৱত বিস্তাৰিত আলোচনাত নগৈ বিশেষভাৱে দুৰ্গাপূজাৰ কাঠামো আৰু মহাস্নানৰ তাৎপৰ্য আলোচনা কৰিলেই বৰ্তমান হিন্দু সমাজৰ বাবে শক্তিপূজাৰ মাহাত্ম্য অনুধাৱন কৰা যাব।

**ক) সম অধিকাৰ**

শক্তিপূজাত সকলোৰ সম অধিকাৰ স্বীকৃত। তিৰোতা তথা শূদ্ৰও পূজাৰীৰ আসনত বহিব পাৰে আৰু মহাশক্তিৰ আৰাধনা কৰিব পাৰে। জগন্মাতা বিশ্ব ব্যাপিনী হ'লেও নাৰী মূৰ্ত্তিত তেখেতৰ সৰ্বাধিক প্ৰকাশ। নাৰীমাত্ৰেই দেৱীৰ অংশত জন্ম আৰু নাৰীয়েই জগদম্বাৰ জীৱন্ত প্ৰতিমূৰ্তি— 'স্ত্ৰিয়ঃ সমস্তাঃ সকলা জগৎসু'।

**খ) সমন্বয়**

দুৰ্গা প্ৰতিমাৰ কাঠামোৰ সমগ্ৰ পৰিকল্পনাতেই আছে এক অপূৰ্ব সমন্বয় ভাৱ। ঈশ্বৰৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি সভ্য মানুহৰ পৰা বনৰ চৰাই, জন্তু আৰু অসভ্য অসুৰেও স্থান লাভ কৰিছে আৰু সাদৰে পূজিতও হয়।

**গ) ঐক্য আৰু সংহতি**

দেৱতাসকলৰ সকলৰ সন্মিলিত তেজত আৰ্বিভূতা হৈছিল দেৱী মহামায়া। দেৱতাসকলে নিজ নিজ অস্ত্ৰ, বাহন আৰু অলংকাৰ দেৱীক দান কৰিছিল। দেৱতাসকলৰ অনৈক্যৰ কাৰণেই তেখেতসকলৰ বিপৰ্যয় ঘটিছিল। পুনৰায় সংঘবদ্ধ হোৱাৰ পিছতেই জয়ৰ সূচনা হৈছিল। সংহতি চেতনাৰ মাজেৰে দেৱতাসকলে জাতীয় মুক্তিৰ বাস্তৱ সমাধান বিচাৰি পাইছিল। ঐক্য আৰু সংহতিয়ে ৰাষ্ট্ৰ বা জাতি গঠনৰ ভিত্তি। জাতি গঠনৰ মূল উপাদানত চাৰি শ্ৰেণীৰ মানুহৰ সংমিশ্ৰণ থাকে— বুদ্ধিজীৱী (ব্ৰাহ্মণ), বীৰ্যজীৱী (ক্ষত্ৰিয়), বৃত্তিজীৱী (বৈশ্য), শ্ৰমজীৱী (শূদ্ৰ)। মহাশক্তি দেৱী দুৰ্গাৰ সোঁফালে লক্ষ্মী আৰু গণেশ। লক্ষ্মী হৈছে ধনশক্তি বা বৈশ্য শক্তিৰ প্ৰতীক। গণেশ হৈছে গণশক্তি বা শূদ্ৰশক্তি বা শ্ৰমশক্তিৰ প্ৰতীক। দেৱী দুৰ্গাৰ বাওঁফালে সৰস্বতী আৰু কাৰ্তিক। সৰস্বতী হৈছে জ্ঞানশক্তি বা ব্ৰাহ্মণ্যশক্তিৰ প্ৰতীক। কাৰ্তিক হৈছে ক্ষাত্ৰশক্তিৰ প্ৰতীক। এই চাৰি শক্তিৰ সৈতে দেৱী দুৰ্গাৰ সন্মিলিত শক্তিয়েই হ'ল ৰাষ্ট্ৰীয় সংহতি আৰু ঐক্যৰ পৰিচায়ক। বস্তুতঃ দুৰ্গা





প্ৰতিমাই হৈছে জাতি প্ৰতিমা। এই সত্য উপলব্ধি কৰিয়েই ঋষি বঙ্কিমচন্দ্ৰই 'বন্দে মাতৰম্' সঙ্গীত ৰচনা কৰিছিল আৰু গাইছিল—'ত্বং হি দুৰ্গা দশপ্ৰহৰণ-ধাৰিণী'। ভাৰতবৰ্ষৰ স্বাধীনতা যুদ্ধত সহস্ৰ জনতাৰ উন্মাদনাৰ মূলতেই আছিল এই সঙ্গীত এই মাতৃমন্ত্ৰ শক্তিপূজাৰ আৱাহন আৰু প্ৰাণপ্ৰতিষ্ঠাৰ মন্ত্ৰ।

**ঘ) সমাজ উন্নয়ন আৰু ৰাষ্ট্ৰীয় কল্যাণ**

ভাৰতবৰ্ষৰ নদ-নদী সাগৰ-সাৰোবৰৰ পানীৰে দেৱীদুৰ্গাৰ মহাস্নান সম্পন হয়। পঞ্চশস্যৰ জৰিয়তে কৃষি চিন্তা, পঞ্চৰত্নৰ জৰিয়তে খনিজ চিন্তা, সৰ্বৌষধিৰ জৰিয়তে স্বাস্থ্যোন্নয়ন আৰু চিকিৎসা উন্নয়ন, গোষ্ঠমৃত্তিকা আৰু পঞ্চামৃতৰ মাধ্যমত অৰণ্য সম্পদ সংৰক্ষণ আৰু বেশ্যাৰ গৃহমৃত্তিকাৰ মাধ্যমত পতিতোদ্ধাৰ চিন্তা আৰু নৈতিকতাৰ মনোন্নয়ন চিন্তাৰ প্ৰকাশ কৰে। ইয়াৰ সৈতে ৰাষ্ট্ৰীয় কল্যাণ ঘনিষ্ঠভাৱে সংযুক্ত হৈ আছে। বৰ্ত্তমানৰ আঞ্চলিকতাবাদ আৰু বিচ্ছিন্নতাবাদৰ যুগত দেৱী পূজাৰ উপকৰণ সংগ্ৰহ কল্পত ভাৰতবৰ্ষৰ সামগ্ৰিক কামেই প্ৰতিফলিত হয়।

**ঙ) অৰ্থনীতি**

ভাৰতীয় অৰ্থনীতিত শক্তিপূজাৰ অৱদান অনস্বীকাৰ্য। প্ৰতিমা তৈয়াৰী, পূজাৰ উপকৰণ উৎপাদন, মণ্ডপসজ্জা, আলোকসজ্জা, অলংকাৰ নিৰ্মাণ, নৱবস্ত্ৰ উৎপাদন, বাদ্যযন্ত্ৰৰ নিৰ্মাণ আৰু বাদন, পূজাৰ ফলমূল উৎপাদন আৰু যোগান, গাখীৰ-মিঠাই আদিৰ যোগান, শাক-পাচলি খাদ্যশস্য উৎপাদন আৰু যোগান, বাণিজ্যিক বিজ্ঞাপন, সাজ-সজ্জাৰ প্ৰসাধনী দ্ৰব্য উৎপাদন আৰু যোগান ইত্যাদি বিষয়ত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে লক্ষ লক্ষ মানুহ নিযুক্ত হৈ আছে। এই মহাপূজাত কোটি কোটি টকাৰ বিনিয়োগ আৰু অৰ্থৰ প্ৰৱাহৰ ফলত ভাৰতীয় অৰ্থনীতিত ইয়াৰ গুৰুত্ব অসীম।

**চ) শক্তিৰ্চ্চাত অনুপ্ৰেৰণা**

এই শক্তিপূজাই আমাক অসুৰৰ বিৰুদ্ধে যুঁজ দিবলৈ অনুপ্ৰেৰণা দিয়ে, সমাজ আৰু দেশৰ প্ৰতিক্ৰিয়াশীল প্ৰগতিবিৰোধী দুৰ্নীতিগ্ৰস্ত অসুৰসকলৰ বিৰুদ্ধে সংগ্ৰাম কৰিবৰ বাবে আমাক উদ্বুদ্ধ কৰে।

**হিন্দুৰ বাবে শক্তিপূজা অপৰিহাৰ্য**

আজিৰ হিন্দু সমাজ জাতি-বৰ্ণভেদে সহস্ৰ ধাৰাত বিভক্ত, খণ্ডিত আৰু বিছিন্ন। পাৰস্পৰিক হিংসা, কলহ, দ্বেষ আৰু আক্ৰমণ-প্ৰত্যাক্ৰমণত দিগ্‌ভ্ৰষ্ট তথাকথিত ধৰ্মনিৰপেক্ষতাৰ মুখাধাৰী ভোট ভিখাৰী ৰাজনৈতিক নেতাসকলৰ আত্মঘাতী ৰাজনীতিৰ বলি হৈ ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তত অসংখ্য হিন্দু আতংকগ্ৰস্ত, অগণন হিন্দু ধৰ্মান্তৰিত হৈ আছে। কেইখনমান প্ৰদেশত হিন্দু আজি সংখ্যালঘুত পৰিণত হৈছে। এতিয়াই আমি শক্তিপূজাৰ মাহাত্ম্য বুজিব লাগিব। এই শক্তিপূজাই আমাক সাহসী, শক্তিমান, নিৰ্ভীক আৰু ঐক্যবদ্ধ হ'বলৈ আহ্বান জনায়। শক্তিপূজা কেৱলমাত্ৰ এটা ধৰ্মীয় উৎসৱ নহয়, এয়া হিন্দুৰ পূৰ্ণ জাগৰণ তথা মুক্তিৰ একমাত্ৰ উপায়।

**উপসংহাৰ**

পৰিশেষত ভাৰত সেৱাশ্ৰম সংঘৰ প্ৰতিষ্ঠাতা শিৱাৱতাৰ যুগাচাৰ্য স্বামী প্ৰণৱানন্দজীৰ তেজোদ্দীপ্ত বাণীৰে এই আলাচনাৰ সামৰণি মাৰিছোঁ—

"হিন্দু! তুমি কি জাননা— তুমি শক্তিৰ পূজক, শক্তিৰ উপাসক? তোমাৰ সেই শক্তিৰ সাধনা কোথায়? শিৱেৰ হাতে ত্ৰিশূল, তাহা দেখিয়া তুমি কি চিন্তা কৰিবে? শ্ৰীকৃষ্ণেৰ হাতে সুদৰ্শন, তাহা দেখিয়া তুমি কী ভাবনা ভাবিবে? কালীৰ হাতে ৰক্তাক্ত খড়গ, দুৰ্গাৰ হাতে দশপ্ৰহৰণ, তাহা দেখিয়া তুমি কি শিক্ষা লাভ কৰিবে? এই মহাশক্তিৰ সাধনা কৰিয়া মানুষ দুৰ্বল হইতে পাৰে কি? একবাৰ ধীৰ স্থিৰ হইয়া চিন্তা কৰ।"✦

❒ লেখক খাৰুপেটীয়া মহাবিদ্যালয়ৰ সংস্কৃত বিভাগৰ মুৰব্বী অধ্যাপক আৰু শক্তি সাধনাৰ গৱেষক। তেখেতৰ গৱেষণা গ্ৰন্থ **'Tantra– its relevance to modern times'** এতিয়া আন্তৰ্জাতিক প্ৰচাৰ আৰু বজাৰত প্ৰৱেশ কৰিছে।